**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 21-**02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ হায়দৰাবাদ হাউচত ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুই ইনাচিঅ' লুলা দা চিলভাৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

২। বৈঠকত জটিল খনিজ ধাতু, ডিজিটীয় সহযোগিতাকে ধৰি ১০ টা দিশ সামৰি লোৱাৰ কথা ঘোষণা কৰা হয়।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত আয়োজিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী-চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কুচ-কাৱাজত অংশগ্ৰহণ কৰে।

৪। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে আজি এ চি এছ আই আৰ আৰু চি এছ আই আৰৰ সৈতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ***আৰু***

৫। ভাৰতে আজি অষ্ট্ৰেলিয়াৰ এডলেইটত অনুষ্ঠিত হোৱা তৃতীয় তথা অন্তিমখন মহিলা টি টুৱেণ্টি ক্ৰিকেট মেচত অষ্ট্ৰেলিয়াক ৭ ৰানত পৰাজিত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ হায়দৰাবাদ হাউচত ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুই ইনাচিঅ' লুলা দা চিলভাৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, দুয়োজন নেতাই বাণিজ্য, শক্তি, সামৰিক বাহিনী, কৃষি, বতৰ, প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, চেমিকনডাক্টৰ, জটিল খনিজ ধাতু, গ্লোবেল চাউথ সহযোগিতাৰ দিশত দুয়োখন দেশে গ্ৰহণ কৰিব পৰা কৌশলগত অংশীদাৰিত্ব সন্দৰ্ভত আলোচনা কৰে। উল্লেখযোগ্য যে গোলকীয় পৰ্যায়ত বিভিন্ন দিশত একেধৰণৰ উদ্দেশ্য আগত ৰাখি একেলগে কাম কৰি যোৱাৰ ওপৰত দুয়োজন নেতাই গুৰুত্ব আৰোপ কৰে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘৰ বিভিন্ন দিশ বিশেষকৈ সুৰক্ষাৰ দিশত আনিবলগীয়া পৰিৱৰ্তনসমূহৰ বিষয়েও আলোচনা কৰে। দুয়োজন নেতাই লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শক্তিশালী ৰূপত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আজিৰ আলোচনাত জটিল খনিজ ধাতু, ডিজিটীয় সহযোগিতা, পৰম্পৰাগত ৰীতি-নীতিৰ আদান প্ৰদান, স্বাস্থ্য উদ্যমিতা, গণসংযোগৰ লগতে ১০ টা দিশ সামৰি লোৱাৰ কথা ঘোষণা কৰা হয়। দুয়োজন নেতাই লগতে অনাগত ৫ বছৰত ২০০০ কোটি ডলাৰতকৈ অধিক মূল্যৰ দ্বিপাক্ষিক বাণিজ্যত আগবাঢ়ি যোৱাত মনোনিবেশ কৰে। যুটীয়াভাৱে দিয়া এটা মন্তব্যত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ৰাষ্ট্ৰপতি লুলাৰ শাসনকালত ভাৰত আৰু ব্ৰাজিলৰ ৰাজনৈতিক সম্পৰ্ক পূৰ্বতকৈ শক্তিশালী হৈছে। তেওঁ লগতে কয় যে ব্ৰাজিল হৈছে লেটিন আমেৰিকাত ভাৰতৰ বাবে থকা আটাইতকৈ ডাঙৰ বাণিজ্যিক অংশীদাৰ। প্ৰধানমন্ত্ৰীজনে লগতে ব্ৰাজিলক কেৱল এখন দেশ হিচাপে অভিহিত নকৰি বিশ্বাসৰ প্ৰতীক বুলিও উল্লেখ কৰে। ভাৰত আৰু ব্ৰাজিলত প্ৰতিষ্ঠা কৰিবলগীয়া সৰ্বোত্তম ডিজিটীয় আন্তঃগাথনিৰ নিৰ্মাণৰ কথা ঘোষণা কৰি প্ৰধানমন্ত্ৰীজনে সন্তোষ প্ৰকাশ কৰি কয় যে প্ৰযুক্তি আৰু উদ্ভাৱনৰ দিশত এই কেন্দ্ৰ দুটাৰ দ্বিপাক্ষিক সহযোগিতাৰ পদক্ষেপসমূহে গ্লোৱেল চাউথৰ সৰ্বাঙ্গীন উন্নতিৰ

ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিব। শ্ৰীমোদীয়ে কয় যে খনিজ পদাৰ্থ আৰু দুৰ্লভ ধাতুৰ ক্ষেত্ৰখনত কৰিবলগীয়া দ্বিপাক্ষিক চুক্তিয়ে এই দিশত বৰ্তমান থকা অভাৱ বহুলাংশে পূৰণ কৰিব। ইয়াৰ লগতে প্ৰতিৰক্ষা খণ্ডত সহযোগিতাৰে কাম কৰিবলৈ বিচৰা সিদ্ধান্তই দুয়োখন দেশৰ মাজৰ বিশ্বাস অধিক শক্তিশালী কৰাৰ লগতে কৌশলগত পদক্ষেপৰ জৰিয়তে দেশ দুখন এই ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায়ক হ'ব। উল্লেখযোগ্য যে ২০০৬ চনৰ পৰাই ভাৰত আৰু ব্ৰাজিলে কৌশলগত অংশীদাৰ হিচাপে বিভিন্ন দিশত কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদক সমৰ্থন আগবঢ়োৱা প্ৰতিখন দেশে মানৱতাবাদৰ পৰিপন্থী। তেওঁ লগতে বৰ্তমানৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিব পৰাকৈ গোলকীয় প্ৰতিষ্ঠানসমূহৰ নীতি-নিৰ্দেশনাসমূহৰ পৰিৱৰ্তন অনাৰ প্ৰয়োজন আহি পৰিছে বুলি উল্লেখ কৰে। এই আলোচনাৰ পূৰ্বে দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী, ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা দি চিলভাক আদৰণি জনাইছে। অতিথি ৰাষ্ট্ৰপতিজনে ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত আয়োজিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী-চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কুচ-কাৱাজত অংশগ্ৰহণ কৰে। মন্ত্ৰীজনে সোণাপুৰৰ কচুতলীত আজি দশম অসম আৰক্ষী বাহিনীৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন কৰি কয় যে বিজেপিৰ শাসনকালত বিগত ১০ বছৰত অসমৰ আইন-শৃংখলা পৰিস্থিতি যথেষ্ট উন্নত হৈছে। তেওঁ লগতে কয়, যে আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি ৰাজ্যখনলৈ বৃহৎ ঔদ্যোগিক গোষ্ঠীসমূহ উভতি আহিছে। কংগ্ৰেছৰ শাসন কালত ৰাজ্যখনৰ প্ৰতি কৰা অৱহেলাৰ বাবে দলটোক সমালোচনা কৰি শ্ৰীশ্বাহে কয়, যে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে যোৱা ১০ বছৰত অসমৰ বাবে ১৫ লাখ কোটিৰো অধিক ধন আৱণ্টন কৰিছে।

মন্ত্ৰীগৰাকীয়ে লগতে দেশে অহা ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদক পুলিয়ে পোখাই উৎখাত কৰাৰ সংকল্প লৈছে বুলিও উল্লেখ কৰে। শান্তি বৰ্তাই ৰখাত চি আৰ পি এফে পালন কৰি অহা ভূমিকাৰ বিষয়ে উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, বাহিনীটোৰ কেইবাটাও দল হিংসাজৰ্জৰ মণিপুৰত নিয়োগ কৰা হৈছে আৰু ৰাজ্যখনত ইয়াৰ ইতিবাচক প্ৰভাৱ দেখিবলৈ পোৱা গৈছে।

চি আৰ পি এফে প্ৰতিষ্ঠা কালৰে পৰা কৰি অহা ত্যাগৰ বিষয়ে আলোকপাত কৰি শ্ৰীশ্বাহে কয় যে বাহিনীটোৰ ২ হাজাৰ ২৭০ গৰাকী বীৰ জোৱানে দেশভূমিৰ সেৱাত প্ৰাণ উৎসৰ্গা কৰিছে। বাহিনীটোৰ ৭০০ গৰাকী জোৱানে অকল উত্তৰ পূৰ্বাঞ্চলতে প্ৰাণ উৎসৰ্গা কৰা বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে অসাধাৰণ বীৰত্বৰ পৰিচয় দিয়া বাহিনীটোৰ কেইবাগৰাকীও বীৰ জোৱানক সাহসিকতাৰ পদক প্ৰদান কৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয় যে ৰাজ্যিক ভাষাসমূহৰ জড়িয়তে যেতিয়া দেশৰ সংবিধানখন জনসাধাৰণৰ ওচৰ পাই তেতিয়াহে সংবিধানখনৰ প্ৰকৃত শক্তি অনুধাৱন কৰিব পাৰি। আজি নতুন দিল্লীৰ উপৰাষ্ট্ৰপতি ভৱনত গুজৰাটী আৰু তামিল ভাষাত দেশৰ সংবিধান উন্মোচনৰ লগতে ইংৰাজীৰ পৰা হিন্দীলৈ অনুবাদ হোৱা অষ্টম সংস্কৰণৰ আইনী শব্দকোষৰ উদ্বোধনী অনুষ্ঠানক সম্বোধন কৰি তেওঁ এই মন্তব্য কৰে। শ্ৰী ৰাধাকৃষ্ণনে এই পদক্ষেপক বিভিন্ন ভাষিক সম্প্ৰদায়ৰ মাজত সাংবিধানিক সজাগতা গভীৰ কৰাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বৰ্ণনা কৰে। তেওঁ লগতে কয় যে যে গুজৰাটী আৰু তামিল হৈছে

দেশৰ চহকী শাস্ত্ৰীয় আৰু সাংস্কৃতিক ভাষাসমূহৰ ভিতৰত অন্যতম, যিয়ে শতিকাজুৰি সাহিত্যিক আৰু বৌদ্ধিক পৰম্পৰা বহন কৰি আহিছে। তেওঁ কয় যে এই ভাষাবোৰত সংবিধান উপলব্ধ কৰাটোৱে নাগৰিকসকলক তেওঁলোকৰ অধিকাৰ, কৰ্তব্য আৰু গণতান্ত্ৰিক দায়িত্ববোৰ ভালদৰে বুজিবলৈ সামৰ্থবান  কৰি তুলিব।

উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে লগতে উল্লেখ কৰে যে সংবিধানৰ এই অনুবাদিত সংস্কৰণটো প্ৰথমবাৰৰ বাবে বৰো, ডোগ্ৰী, চাওতালিৰ লগতে বহুকেইটা ভাষাত উপলব্ধ কৰা হ'ব। আইনী শব্দকোষৰ বিষয়ে আলোচনা কৰি তেওঁ উল্লেখ কৰে যে শব্দকোষখন কেৱল এটা প্ৰসংগ গ্ৰন্থ নহয় বৰঞ্চ সবলীকৰণৰ সঁজুলি কিয়নো ইয়াৰ সহায়ত নাগৰিকসকলক তেওঁলোকৰ মাতৃভাষাত সংবিধান অধ্যয়ন কৰিব পাৰিব।0000000000

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হৈ থকা ভাৰত-কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনৰ আজি সামৰণি পৰিব। উল্লেখযোগ্য যে এই সন্মিলনত এশখনৰো অধিক দেশৰ নৱ উদ্ভাৱক, উদ্যোগপতি, নীতি প্ৰৱৰ্তনকাৰী, ষ্টাৰ্টআপৰ সৈতে জড়িত উদ্যমিসকলে অংশগ্ৰহণ কৰে। প্ৰায় ৫ লাখতকৈ অধিক লোকে অংশগ্ৰহণ কৰা এই সন্মিলনক আয়োজকসকলে এখন সফল সন্মিলন বুলি অভিহিত কৰিছে। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত ভাৰত চৰকাৰৰ  ডাটা আৰু এ আই বিভাগৰ সঞ্চালক মিনাক্ষী প্ৰসাদে এই সন্মিলনখনে কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে জড়িত বিভিন্ন দিশ সামৰি প্ৰযুক্তিগতভাৱে আগবাঢ়িবলৈ বিচৰা লোকসকলক যথেষ্ট উপকৃত কৰা বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ভাৰত-কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনৰ সফল আয়োজনে প্ৰযুক্তিগত বিকাশ আৰু উদ্ভাৱনৰ জৰিয়তে  কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতে এখন উল্লেখযোগ্য গোলকীয় বজাৰ গঢ় দিয়াত সফল হৈছে। ০

০০০০০

ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰন চমুকৈ এন.ডি.এম.এ আজি বৈজ্ঞানিক আৰু উদ্ভাৱনীমূলক গৱেষণা প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় বিজ্ঞান যোগাযোগ আৰু নীতি গৱেষণা প্ৰতিষ্ঠান চমুকৈ চি.এছ.আই.আৰৰ সৈতে শৈক্ষিক দিশত কামকৰা লোকসকলৰ বাবে সহযোগিতামূলক পৰিকাঠামো স্থাপনৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই অংশীদাৰিত্বৰ লক্ষ্য হৈছে গঠনমূলক শৈক্ষিক পদক্ষেপ, আন্তঃবিষয়ক গৱেষণা আৰু ৰাজহুৱা অংশগ্ৰহণৰ জৰিয়তে দুৰ্যোগ প্ৰতিৰোধী ভাৰতবৰ্ষ গঢ়ি তোলাৰ বাবে বিজ্ঞান, প্ৰযুক্তি আৰু নীতিক একত্ৰিত কৰা।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি এনডিএমএৰ সদস্য ডাঃ দীনেশ কুমাৰ অসৱালে কয় যে এনডিএমএ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ শক্তিশালী নেটৱৰ্ক বিকশিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ যিয়ে দুৰ্যোগ সম্পৰ্কীয় গৱেষণা আৰু শৈক্ষিক কাৰ্যসূচীসমূহত সহযোগিতামূলকভাৱে কাম কৰিব। ইফালে, এ. চি. এছ. আই. আৰ.-ৰ সঞ্চালক অধ্যাপক মনোজ কুমাৰ ধাৰে এই বুজাবুজিৰ চুক্তিয়ে শিক্ষাৰ্থী আৰু গৱেষকসকলৰ বাবে দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰত্যাহ্বানৰ বাবে উদ্ভাৱনীমূলক, গৱেষণা ভিত্তিক সমাধান বিকশিত কৰাৰ বাবে নতুন পথ মুকলি কৰিব বুলি

গুৰুত্ব আৰোপ কৰে। বৈজ্ঞানিক দৃষ্টিভংগীৰ ভূমিকাৰ বিষয়ত আলোকপাত কৰি CSIR-NIScPRৰ সঞ্চালক ডাঃ গীতা বাণী ৰায়চামে কয় যে এই অংশীদাৰিত্বই দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে নীতি আৰু জনসচেতনতাৰ পৰিকাঠামোত বৈজ্ঞানিক জ্ঞানৰ একত্ৰীকৰণ কৰিব।

00000

ভাৰতে আজি অষ্ট্ৰেলিয়াৰ এডলেইটত অনুষ্ঠিত হোৱা তৃতীয় তথা অন্তিমখন মহিলা টি টুৱেণ্টি ক্ৰিকেট মেচত অষ্ট্ৰেলিয়াক ৭ ৰানত পৰাজিত কৰে। ইয়াৰ লগে লগে ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে ২-১ পইণ্টেৰে এই টি -টুৱেণ্টি শৃংখলা নিজৰ দখললৈ আনে। ভাৰতৰ ১৭৭ ৰানৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ৯ টা উইকেট হেৰুৱাই ১৫৯ ৰান কৰে। ভাৰতৰ হৈ শ্ৰেয়ংকা পাটিল আৰু শ্ৰীচৰণীয়ে তিনিটাকৈ উইকেট লাভ কৰাৰ লগতে অৰূন্ধতি ৰেড্ডীয়ে দুটা আৰু ৰেণুকা সিং ঠাকুৰে এটা উইকেট দখল কৰে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। উল্লেখযোগ্য যে স্মৃতি মন্ধনাই ৫৫ টা বলত ৮২ ৰান কৰে আৰু জেমিমা ৰদ্ৰিক্সে ৪৬ টা বলত ৫৯ ৰানৰ অৱদান আগবঢ়ায়।

00000

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত পাকিস্তান আৰু নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ বাতৰি যুগুতোৱাৰ পৰলৈ বৰষুণৰ বাবে খেলখন আৰম্ভ হোৱা নাই।

00000

ঃঃ সমাপ্ত ঃঃ